# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/৩২/২০২২-২৩
Ref :

তাৰিখ : ১৭.০১.২০২৪
Date :

## অসম জাতীয় বিদ্যালয়ত 'শিল্পী দিৱস' উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৭ জানুৱাৰী ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি অৰ্থাৎ ১৭-০১-২০২৪ তাৰিখ বুধবাৰে অসম জাতীয় বিদ্যালয়তো 'শিল্পী দিৱস' উদ্‌যাপন কৰা হয়। 'শিল্পী দিৱস'ৰ আহ্বায়ক অসমীয়া বিভাগৰ শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে অনুষ্ঠানৰ আৰম্ভণী ঘোষণা কৰে। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়। বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে আদৰণী ভাষণত 'জ্যোতিপ্ৰসাদ আগৰৱালা শ্ৰেষ্ঠতম অসমীয়া' বুলি কৈ বৰ্তমানৰ প্ৰজন্মক তেখেতৰ দৰ্শন গভীৰভাৱে উপলব্ধি কৰাৰ প্ৰয়োজনীয়তাৰ কথা সোঁৱৰাই দিয়ে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট তবলাবাদক পণ্ডিত সুকুমাৰ বৰঠাকুৰে ভাষণ প্ৰসংগত কয় যে কলাৰ সাধনা আৰু শিল্পৰ বিস্তাৰেই হৈছে এগৰাকী শিল্পীৰ পৰিচয় আৰু জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ ব্যক্তিত্বত এই আটাইবোৰ কথা বিদ্যমান। বহুমুখী প্ৰতিভাসম্পন্ন জ্যোতিপ্ৰসাদ আগৰৱালাদেৱক শিল্পৰ সাধক আৰু প্ৰসাৰ কৰোঁতা বুলিও মুখ্য অতিথিগৰাকীয়ে উল্লেখ কৰে। শিল্পী দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী গহনা চক্ৰৱৰ্তীয়ে। বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী কবিতা পাটগিৰিয়ে জ্যোতিপ্ৰসাদৰ নাটকৰ নাৰী চৰিত্ৰৰ আলোচনা শীৰ্ষক এক সাৰুৱা বক্তৃতা আগবঢ়ায়। বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী উদ্দীপ্তা বৰদলৈয়ে জ্যোতিপ্ৰসাদৰ 'ইন্দ্ৰমালতী' কথাছবিৰ কাহিনী সম্পৰ্কীয় এটি বক্তৃতা ইংৰাজী ভাষাত আগবঢ়ায়। বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিবেশনেৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। অনুষ্ঠানৰ শেষত গণিত বিভাগৰ শিক্ষক হিৰণ্য কলিতাই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানটিৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী অংকুৰণ কৌশিক শৰ্মা আৰু সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী অনন্যা লহকৰে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :* AJB/09/32/2023-24

তাৰিখ :
*Date :* 17-01-2024

# Shilpi Divas observed at Assam Jatiya Bidyalay, Noonmati

**Noonmati, Guwahati, 17 January :** Shilpi Divas was observed at Assam Jatiya Bidyalay, Noonmati to commemorate the death anniversary of Rupkonwar Jyoti Prasad Agarwala. The convener of the programme was Bhaskarjyoti Haloi, Faculty, Department of Assamese. The president of the Management Committee, Dilip Kumar Dutta Choudhury, gave the occasion an auspicious start by lighting the ceremonial lamp. It was followed by a speech by the vice-principal, Rabindra Barman, who hailed Jyotiprasad Agarwala as a stalwart and said that his philosophy should be upheld by the new generation. Gahana Chakraborty, a student of class VIII, delivered a speech on the significance of the occassion. Eminent tablist, Pandit Sukumar Borthakur graced the occasion as the chief guest and stated that Jyotiprasad Agarwala was a multifaceted genius who had inspired artists through his works. Kabita Patgiri, a senior teacher, Department of Assamese, highlighted the powerful portrayal of female characters in Agarwala's plays. Uddeepta Bordoloi, a student of class VIII, enlightened the audience about Jyotiprasad Agarwala's second Assamese feature film "Indramalati". The teachers as well as the students performed many cultural programmes to commemorate Agarwala's contribution to Assamese art and culture. The occasion came to an end with a vote of thanks by Hiranya Kalita, teacher, Department of Mathematics. The hosts of the programme were Ankuran Kaushik and Ananya Laskar, students of class IX and class VII respectively.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay